# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 30-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ প্ৰদেশ ভ্ৰমণ কৰিব।

২।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশে আজি আমেৰিকালৈ ৰাওনা হ’ব।

৩।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হাতত অস্ত্ৰ-শস্ত্ৰ লৈ থকা মাওবাদীসকলৰ সৈতে যিকোনো ধৰণৰ আলোচনা নাকচ কৰিছে।

৪।	কলকাতা আৰক্ষীয়ে কাছ্বা আইন মহাবিদ্যালয়ৰ দলবদ্ধ ধৰ্ষণ কাণ্ডৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী দলৰ সদস্যৰ সংখ্যা ৫ৰ পৰা ৯লৈ বৃদ্ধি কৰিছে।	*আৰু*

৫।	আয়ুষ চেট্টীয়ে ইউ এছ্ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ খিতাপ দখল কৰি চলিত বৰ্ষৰ বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰৰ খিতাপ দখল কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে ইতিহাস ৰচনা কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ প্ৰদেশ ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমতী মুৰ্মুৱে বৰেলী আৰু গোৰখপুৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ আজি প্ৰথম দিনা ৰাষ্ট্ৰপতিগৰাকীয়ে বৰেলীত থকা ভাৰতীয় পশু চিকিৎসা গৱেষণা প্ৰতিষ্ঠানৰ একাদশ সমাৱৰ্তন সমাৰোহত ভাগ ল’ব। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ গংগুৱাৰ, কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু কেন্দ্ৰীয় কৃষি ৰাজ্যমন্ত্ৰী ভগীৰথ চৌধাৰীয়েও এই সমাৰোহত অংশগ্ৰহণ কৰিব। সমাৱৰ্তন সমাৰোহৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু গোৰখপুৰলৈ যাব। তাত তেওঁ তিনিখন প্ৰতিষ্ঠানে আয়োজন কৰা পৃথক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে গোৰখপুৰৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান-এইমছ্ৰ প্ৰথম সমাৱৰ্তন কাৰ্যসূচীত অংশগ্ৰহণ কৰি কৃতি শিক্ষাৰ্থীসকলক মেডেল প্ৰদান কৰিব। পৰহিলৈ ৰাষ্ট্ৰপতি শ্ৰীমতীমুৰ্মুৱে উত্তৰ প্ৰদেশৰ প্ৰথম মহাযোগী গুৰু গোৰখনাথ আয়ুষ বিশ্ববিদ্যালয় উদ্বোধন কৰিব। বিয়লিৰ ভাগলৈ তেওঁ বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহ, শৈক্ষিক গৃহ আৰু পঞ্চকৰ্ম কেন্দ্ৰ মুকলি কৰাৰ লগতে ছনবাৰছাত মহাযোগী গোৰখনাথ বিশ্ববিদ্যালয়ৰ আৰোগ্যধাম চৌহদত ছাত্ৰীৱাসৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ লগতে শ্ৰীমতী মুৰ্মুৱে দুয়োটা দিনতে গোৰখনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। ৰাষ্ট্ৰপতি ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত বৰেলী আৰু গোৰখপুৰত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি আমেৰিকালৈ যাব। আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক’ ৰুবিঅ’ৰ নিমন্ত্ৰণমৰ্মে কাইলৈ কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ড০ জয়শংকৰ আমেৰিকালৈ যাব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই বৈঠকত মুক্ত আৰু স্বতন্ত্ৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সমূহীয়া দৃষ্টিভংগী

আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব। উল্লেখযোগ্য যে পেহেলগাম আক্ৰমণৰ পাছত কোৱাড মন্ত্ৰীসকলৰ এইখনেই প্ৰথমখন বৈঠক হ'ব।

এই ভ্ৰমণৰ সময়ছোৱাত ড০ জয়শংকৰে আজি নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত **দ্যা হিউমেন কসট অফ টেৰ'ৰিজম** শীৰ্ষক এখন প্ৰদৰ্শনীও মুকলি কৰিব। এই প্ৰদৰ্শনীত বিশ্বজুৰি হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাৰ বিধবংসী প্ৰভাৱৰ লগতে সন্ত্ৰাসবাদ ৰোধ কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰা হ'ব। পাকিস্তানে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অধ্যক্ষতা গ্ৰহণ কৰাৰ মাত্ৰ এদিন পূৰ্বে কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হাতত অস্ত্ৰ-শস্ত্ৰ লৈ থকা মাওবাদীসকলৰ সৈতে যিকোনো ধৰণৰ আলোচনা নাকচ কৰিছে। তেলেংগানাৰ নিজামাবাদত অনুষ্ঠিত কৃষক সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে জনজাতি লোক তথা আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ লোকক হত্যা কৰা সকলৰ সৈতে কোনো ধৰণৰ আলোচনা সম্ভৱ নহয়। গৃহমন্ত্ৰীগৰাকীয়ে বাঁওপন্থী সন্ত্ৰাসবাদীসকলক অস্ত্ৰ সম্বৰণ কৰি দেশৰ মূল সুঁতিলৈ উভতি আহিবিলৈ আহ্বান জনায়। শ্ৰীশ্বাহে অহা বছৰৰ ৩১ মাৰ্চৰ ভিতৰত ভাৰতক মাওবাদী মুক্ত কৰাৰ বাবে কেন্দ্ৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে। কংগ্ৰেছে তেলেংগানাত মাওবাদীসকলক আশ্ৰয় প্ৰদান কৰিব পাৰে বুলিও তেওঁ আশংকা প্ৰকাশ কৰে। তেলেংগানাক মাওবাদীৰ ঘাটি নকৰিবলৈ শ্ৰীশ্বাহে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডীক আহ্বান জনায়।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই হিমাচল প্ৰদেশৰ ধৰমশালাৰ তপোবনত আজি কমনৱেল্‌থ সংসদীয় সংস্থাৰ দ্বিতীয় মণ্ডলৰ বাৰ্ষিক সন্মিলন মুকলি কৰিব। এই মণ্ডলৰ অধীনত দিল্লী, হাৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু পাঞ্জাবো সামৰি লোৱা হৈছে। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ লগতে এই দিশত ৰাজ্যসমূহৰ অভিজ্ঞতাসমূহৰ আদান-প্ৰদান আৰু সমসাময়িক যুগৰ প্ৰশাসন আৰু বিধানপালিকাসমূহৰ কাম-কাজ উন্নত কৰাৰ উদ্দেশ্যে ল'বলগীয়া পদক্ষেপৰ বিষয়ে আলোচনাৰ বাবে এখন উপযুক্ত মঞ্চ প্ৰদান কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য। এই সন্মিলনৰ বিষয়বস্তু হৈছে- **ডিজিটেল যুগত সুপ্ৰশাসন ঃ সম্পদ ব্যৱস্থাপনা, গণতন্ত্ৰৰ সুৰক্ষা প্ৰদান আৰু উদ্ভাৱনক আঁকোৱালি লোৱা।** কমনৱেল্‌থ সংসদীয় সংস্থা হৈছে- সংসদীয় গণতন্ত্ৰ শক্তিশালী কৰাৰ উদ্দেশ্যে সাংসদসকলক একত্ৰিত কৰাৰ এটা গোলকীয় সংস্থা।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **প্ৰাৰম্ভিক স্তৰত মানসিক সমস্যাসমূহৰ চিনাক্তকৰণ আৰু ইয়াৰ প্ৰতিকাৰ** সন্দৰ্ভত এইমছৰ মানসিক স্বাস্থ্য বিভাগৰ অধ্যাপক ডাঃ নন্দ কুমাৰৰ সৈতে বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিসকলক এই বিষয়ে প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

কলকাতা আৰক্ষীয়ে কাছবা আইন মহাবিদ্যালয়ৰ দলবদ্ধ ধৰ্ষণ কাণ্ডৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী দলৰ সদস্যৰ সংখ্যা ৫ৰ পৰা ৯লৈ বৃদ্ধি কৰিছে। কলকাতা চহৰত বিৰোধী দলসমূহে এই ঘটনাৰ উচিত তদন্তৰ দাবীত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি কলকাতাত শাসকীয় তৃণমূল কংগ্ৰেছক সমালোচনা কৰি কয় যে টিএমচিৰ শাসনত পশ্চিমবংগত অঘোষিত জৰুৰীকালীন অৱস্থা চলি আছে। পশ্চিমবংগ বিধানসভাৰ বিৰোধী দলপতি তথা বিজেপি নেতা সুবেন্দু অধিকাৰীয়ে মমতা বেনাৰ্জীৰ শাসনকালত বংগত যুৱতী আৰু মহিলাসকল সুৰক্ষিত নহয় বুলি আক্ষেপ প্ৰকাশ কৰিছে।

ooooo

ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক পাৰমাণৱিক শক্তি সংস্থাৰ মুৰব্বীগৰাকীৰ ভাষ্যই শেহতীয়াকৈ আমেৰিকাৰ বিমান আক্ৰমণে ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচী সমূলি ধ্বংস হোৱা বুলি কৰা দাবীক লৈ সন্দেহৰ সৃষ্টি কৰিছে। এটা টেলিভিচন চেনেলত দিয়া সাক্ষাৎকাৰত আন্তৰ্জাতিক পাৰমাণৱিক শক্তি সংস্থাৰ সঞ্চালক প্ৰধান ৰাফেল গ্ৰ'ছিয়ে কয় যে তেহৰানে এতিয়াও কেইমাহমানৰ ভিতৰত ইউৰেনিয়াম সমৃদ্ধি পুনৰ আৰম্ভ কৰাৰ ক্ষমতা অক্ষুণ্ণ ৰাখিছে। তেওঁ লগতে কয় যে আমেৰিকাৰ বিমান আক্ৰমণৰ ফলত হোৱা ক্ষতি ভয়াৱহ আছিল যদিও এই আক্ৰমণত ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচী সম্পূৰ্ণৰূপে ধ্বংস হোৱা নাই। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বাৰে বাৰে ইৰাণৰ পাৰমাণৱিক আন্তঃগাঁথনি সম্পূৰ্ণৰূপে নিঃশেষ কৰি পেলাইছে বুলি কৰা দাবীক গ্ৰ'ছিৰ এই মন্তব্যই ভূল প্ৰমাণিত কৰিছে। গ্ৰ'চিয়ে কয় যে পাৰমাণৱিক কাৰ্য্যকলাপ পুনৰুজ্জীৱিত কৰিবলৈ ইৰাণৰ প্ৰয়োজনীয় প্ৰযুক্তিগত আৰু ঔদ্যোগিক সামৰ্থ অক্ষুণ্ণ হৈ আছে। পেন্টাগনৰ প্ৰতিৰক্ষা চোৰাংচোৱা সংস্থাৰ প্ৰাৰম্ভিক তথ্য অনুসৰিও ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচীৰ মূল উপাদানসমূহ সম্পূৰ্ণৰূপে ধ্বংস হোৱা নাই। ইফালে আমেৰিকাই এতিয়াও ক্ষয় ক্ষতিৰ চূড়ান্ত প্ৰতিবেদন প্ৰকাশ কৰা নাই। আমেৰিকাৰ সামৰিক বিষয়াসকলে ফৰ্ড' আৰু নাটাঞ্জৰ দৰে স্থানত ধ্বংসৰ পৰিসৰৰ সীমিত বিৱৰণহে ৰাজহুৱা কৰিছে।

ooooo

চৰকাৰে গ' আই ষ্টেটচ (GoIStats) নামৰ এটা মোবাইল এপ্লিকেচন মুকলি কৰিছে। এই এপটোৰ জৰিয়তে জনসাধাৰণে বিভিন্ন চৰকাৰী সেৱাৰ তথ্য সহজতে লাভ কৰিব পাৰিব। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় নমুনা জৰীপ কাৰ্যালয়ৰ এই পদক্ষেপে চৰকাৰী পৰিসংখ্যাসমূহ সকলো নাগৰিকৰ বাবে সুলভ আৰু ব্যৱহাৰকাৰীকেন্দ্ৰিক কৰি তোলাৰ বাবে চৰকাৰে দিয়া প্ৰতিশ্ৰুতিক বাস্তবায়িত কৰিছে আৰু এক মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। GoIStats মোবাইল এপ্লিকেচনে ৰাষ্ট্ৰীয় নমুনা জৰীপ কাৰ্যালয়ে সৰ্বাংগীন তথ্য পৰিৱেশতন্ত্ৰ সৃষ্টি কৰাৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে। এপটোত মুঠ ঘৰুৱা উৎপাদন, মুদ্ৰাস্ফীতি, আৰু নিয়োগ সম্পৰ্কীয় তথ্যকে ধৰি অনান্য সেৱা সম্বন্ধীয় তথ্যৰ লগতে গুৰুত্বপূৰ্ণ আৰ্থ-সামাজিক সূচকসমূহ প্ৰদৰ্শন কৰা ইন্টাৰেক্টিভ "কী ট্ৰেণ্ড" ডেচব'ৰ্ডৰ বৈশিষ্ট্য সন্নিৱিষ্ট কৰা হৈছে। বৰ্তমান এই মোবাইল এপ্লিকেচনটোৰ এণ্ড্ৰইড সংস্কৰণটো গুগল প্লে ষ্ট'ৰত বিনামূলীয়াকৈ উপলব্ধ। এপটোৰ iOS সংস্কৰণ অতি সোনকালে মুকলি কৰা হ'ব বুলি জানিব পৰা গৈছে।

ooooo

২০ বছৰীয়া আয়ুষ চেট্টীয়ে ইউ এছ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ খিতাপ দখল কৰি চলিত বৰ্ষৰ বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰৰ খিতাপ দখল কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে ইতিহাস ৰচনা কৰিছে।

ইউ এছ্ অপেন ফাইনেলত আয়ুষে কানাডাৰ ব্ৰিয়ান য়েঙক ২১-১৮, ২১-১৩ গেমত পৰাজিত কৰি এই খিতাপ অৰ্জন কৰে।

প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত ভাৰতৰ তনৱী শৰ্মাই শীৰ্ষ বাছনিৰ বেইৱেন ঝেঙৰ বিৰুদ্ধে ১১-২১, ২১-১৬, ১০-২১ গেমত পৰাজিত হৈ ৰানাৰআপৰ খিতাপ দখল কৰে।

০০০০০

বাৰ্লিনত অনুষ্ঠিত এফ আই এইচ প্ৰ'লীগ হকী প্ৰতিযোগিতাত কালি নিশাৰ এখন খেলত ভাৰতীয় মহিলা হকী দলটোৱে চীনৰ বিৰুদ্ধে ২-৩ গ'লৰ ব্যৱধানৰ পৰাস্ত হয়। খেলখনৰ নৱম মিনিটত ভাৰতৰ সুনেলীটা টপ্পাই প্ৰথমটো গ'ল দিয়াৰ পাছত পুনৰ ৩৮ মিনিটত ঋতুজা দাদাছ' পিছালে দ্বিতীয়টো গ'ল দি দলক অগ্ৰগতি প্ৰদান কৰে যদিও পৰৱৰ্তী পৰ্যায়ত চীনৰ ঝেং য়িঙে দুটা আৰু জু ৰেনয়ুয়ে এটা গ'ল দি দলৰ বিজয় নিশ্চিত কৰে। ক্ৰমাগত ৮ খন খেলত পৰাজিত হোৱাৰ পাছত ভাৰতে ১৬ খন খেলৰ পৰা ১০ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শেষত স্থান লাভ কৰিছে।

০০০০০

সমাপ্ত